# 2017

## ASSAMESE

## ( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ কৰা : ১×১০=১০

(ক) ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি আছিল?

(খ) 'জন্মযাত্ৰা' অংকীয়া নাটৰ ৰচক কোন আছিল?

(গ) 'শকুন্তলা কাব্য' কোনে ৰচনা কৰিছিল?

(ঘ) বৈষ্ণৱ ধৰ্মগুৰুসকলৰ কৰ্ম আৰু জীৱনক কেন্দ্ৰ কৰি ৰচিত হোৱা সাহিত্যৰ ধাৰাটোক কি বুলি জনা যায়?

(ঙ) 'কথা-ৰামায়ণ'ৰ ৰচক কোন আছিল?

(চ) বিশ্বেশ্বৰ বৈদ্যাধিপে ৰচনা কৰা বুৰঞ্জীখনৰ নাম কি?

(ছ) 'অৰুণোদই'ৰ প্ৰথম সম্পাদক কোন আছিল?

(জ) অসমীয়া ভাষাৰ প্ৰথম অভিধান প্ৰণেতা কোন আছিল?

(ঝ) 'ৰাম-নৱমী' কাৰ ৰচনা ?

(ঞ) *A Few Remarks on Assamese Language* কোনে লিখিছিল ?

(ট) 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয় ?

(ঠ) 'ভানুমতী' উপন্যাসখনৰ ৰচক কোন আছিল ?

(ড) 'জোনাকী' আলোচনী কিমান চনত প্ৰকাশ পাইছিল ?

(ঢ) ৰজনীকান্ত বৰদলৈৰ এখন উপন্যাসৰ নাম লিখা।

(ণ) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

(ক) উত্তৰ-শঙ্কৰী যুগৰ সাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) উত্তৰ-শঙ্কৰী যুগত সৃষ্টি হোৱা সাহিত্যৰ দুটা নতুন ধাৰা উল্লেখ কৰা।

(গ) ৰাম সৰস্বতী ৰচিত দুখন বধকাব্যৰ নাম লিখা।

(ঘ) কবিৰাজ চক্ৰৱৰ্তীৰ প্ৰকৃত নাম কি আছিল ? তেওঁ কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ঙ) অৰুণোদই যুগৰ দুজন খ্ৰীষ্টিয়ান লেখকৰ নাম লিখা।

(চ) অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাবধাৰা কি কি সাহিত্যৰ মাজেৰে প্ৰৱাহিত হৈছিল ?

(ছ) 'আৱাহন'ৰ পৃষ্ঠপোষক কোন আছিল? আলোচনীখন কেতিয়া প্ৰকাশিত হৈছিল ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্য সম্পৰ্কে এটা চমু টোকা লিখা।

(খ) শঙ্কৰোত্তৰ যুগত সৃষ্টি হোৱা ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটা টোকা লিখা।

(গ) বেজবৰুৱাৰ চুটিগল্প সম্পৰ্কে চমুকৈ লিখা।

(ঘ) অৰুণোদই যুগৰ উপন্যাস সম্পৰ্কে চমুকৈ লিখা।

(ঙ) ৰমণ্যাসবাদ কাক বোলে? তাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৪। অসমীয়া বুৰঞ্জী সাহিত্য সম্পৰ্কে বহলাই লিখা। ১০

*অথবা*

শাক্ত সাহিত্যৰ বিকাশত আহোম ৰজাসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

৫। অসমীয়া সাহিত্যলৈ 'অৰুণোদই' আলোচনীয়ে কি অৱদান আগবঢ়াইছিল, আলোচনা কৰা। ১০

*অথবা*

অৰুণোদই যুগৰ অখ্ৰীষ্টিয়ান লেখকসকলৰ অৱদান সন্দৰ্ভত এটি নিবন্ধ যুগুত কৰা। ১০

৬। ‘চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য-সাহিত্য’—এই বিষয়ক এটি আলচ প্ৰস্তুত কৰা। ১০

*অথবা*

জোনাকী যুগৰ অসমীয়া কবিতাৰ বৈশিষ্ট্য বিচাৰ কৰা। ১০

৭। অসমীয়া ৰামায়ণী সাহিত্য সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

অসমীয়া গল্প-সাহিত্যলৈ ‘আৱাহন’ আলোচনীৰ অৱদান সম্পৰ্কে এটা আলোচনা কৰা। ১০

★★★